জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯/২০২০

অসম প্ৰাদেশিক নাথ-যোগী সন্মিলনীৰ শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

# গুৱাহাটীত নাথ- যোগী সম্প্ৰদায়ৰ এটা অতিথিশালা নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ভূমি আৰু বিত্তীয় সাহায্য প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ ফেব্ৰুৱাৰী ঃ** 'নাথ-যোগী সম্প্ৰদায় হ'ল অসমৰ এটা শক্তিশালী সম্প্ৰদায়। এই সম্প্ৰদায়টোৱে ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশত যথেষ্টখিনি বৰঙণি যোগাই আহিছে। নাথ-যোগী সম্প্ৰদায়ৰ নৱ প্ৰজন্মই তেওঁলোকৰ জ্ঞান আৰু দক্ষতা বৃদ্ধিৰে জীৱনত সফলতা আহৰণ কৰি আমাৰ সমাজলৈ অৰ্থৱহ অৰিহণা আগবঢ়াব লাগিব।' আজি নগাঁৱৰ নেহৰুবালিত অসম প্ৰাদেশিক নাথ-যোগী সন্মিলনীৰ শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

অসম আন্দোলনৰ ৮৫৫ গৰাকী শ্বহীদৰ ভিতৰত ১৪০ গৰাকী শ্বহীদে নাথ-যোগী সম্প্ৰদায়ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই সম্প্ৰদায়ৰ যুৱ প্ৰজন্মই তেওঁলোকৰ সম্প্ৰদায়ৰ গৌৰৱোজ্বল ইতিহাসৰ দ্বাৰা অনুপ্ৰাণিত হ'ব লাগিব বুলি কয়। নাথ-যোগী সম্প্ৰদায়ৰ জনসাধাৰণ হ'ল সৎ, দক্ষ আৰু নিষ্ঠাবান। সেয়েহে এই সম্প্ৰদায়টোৱে ৰাজ্যখনক দেশৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ দিশটো ঐকান্তিকতাৰে প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস নীতি সাৰোগত কৰি কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰেও কৃষক, যুৱক, মহিলা দিব্যাংগ ইত্যাদিকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে বহু সংখ্যক আঁচনি গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নাথ-যোগী সম্প্ৰদায়ৰ সকলো জনসাধাৰণকে সৰ্বাংগীন উত্তৰণৰ বাবে চৰকাৰী আঁচনিসমূহৰ সা-সুবিধা গ্ৰহণেৰে লাভান্বিত হোৱাৰ বাবে আহ্বান জনায়। ৰাজ্য চৰকাৰে খিলঞ্জীয়া ১ লাখ পৰিয়াললৈ ভূমি পট্টা প্ৰদানৰ দৰে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৫০ হাজাৰ জনসাধাৰণে ইতিমধ্যে মাটিৰ পট্টা লাভ কৰিছে বুলিও কয়। কৃষ্টি-সংস্কৃতি, ভাষা, ৰাজনীতি আৰু অৰ্থনৈতিক ক্ষেত্ৰত থলুৱাৰ প্ৰভুত্ব বজাই ৰখাৰ দিশত ভূমিৰ অধিকাৰ অত্যন্ত জৰুৰী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবেই এনেকুৱা ঐতিহাসিক পদক্ষেপ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বুলিও কয়। কনকলতা মহিলা সবলীকৰণ আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে মহিলা আত্মসহায়ক গোটসমূহলৈ বিত্তীয় সাহায্য প্ৰদান কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নাথ-যোগী সম্প্ৰদায়ৰ মহিলাসকলকো এই আঁচনিৰ দ্বাৰা লাভান্বিত হোৱাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ৰাজ্যখনৰ ১ লাখ কৃষকলৈ এককালীন ৫ হাজাৰ টকাৰ বিত্তীয় অনুদান তথা সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ বৃদ্ধসকললৈ সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলিও কয়।

নাথ-যোগী সম্প্ৰদায়ৰ বাবে গুৱাহাটীত এটা অতিথিশালা স্থাপনৰ বাবে ৰাজ্য চৰকাৰে ভূমি আৰু বিত্তীয় সাহায্য আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসমক এখন উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে ঐক্য আৰু সংহতি বজাই ৰখাৰ দিশটো গুৰুত্ব আৰোপ কৰে। সংঘাত নহয় কেৱল সমন্বয়ৰ জৰিয়তেহে প্ৰগতি সম্ভৱ বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এখন স্মৰণিকা উন্মোচন কৰাৰ লগতে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ ৱেবচাইটো আনুষ্ঠানিক ভাবে উন্মোচন কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে নগাৱঁৰ আমোলাপট্টীত শ্ৰীশ্ৰী শংকৰদেৱ নাট্য চ'ৰাৰ আধাৰশিলা স্থাপন কৰে।

আজিৰ এই অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰাজেন গোহাঁই, বিধায়কদ্বয় ক্ৰমে ৰূপক শৰ্মা, কিশোৰ নাথ, অসম প্ৰাদেশিক নাথ-যোগী সন্মিলনীৰ সভাপতি অৰুণ কুমাৰ বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**১৫/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in